# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-05-2025
**Time :** 1845 HRS

## ***Assamese Evening Bulletin***

***- - - - - - - - - - - - - -***

## Headlines

-------------------

১। পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কাইলৈ ১৪ খন জিলাত ভোটগ্ৰহণ।

২। বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বড়োফাৰ প্ৰতিমূৰ্তি উন্মোচন। সমগ্ৰ দেশৰ জনগোষ্ঠীয় সমাজৰ বাবে বড়োফা আদৰ্শ বুলি গৃহমন্ত্ৰীৰ মন্তব্য।

৩। আন্তৰ্জাতিক শ্ৰমিক দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন স্থানত ভিন ভিন কাৰ্যসূচী পালন।

৪। ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱসত আজি হেমকোষৰ প্ৰণেতাগৰাকীৰ সোণসেৰীয়া কৰ্মৰাজিক সোঁৱৰণ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ান্‌ছ, ৰাজস্থান ৰয়েল্‌ছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে কাইলৈ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত সামৰি ল'বলগীয়া জিলাসমূহৰ ভিতৰত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলা আছে। ভোটগ্ৰহণৰ বাবে বিভিন্ন ভোট কেন্দ্ৰত নিয়োজিত বিষয়ববীয়াসকল ইতিমধ্যে কেন্দ্ৰলৈ ৰাওনা হৈছে।

**গোলাঘাট** জিলাত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে আজি পুৱাৰে পৰা প্ৰিজাইডিং পোলিং বিষয়াৰ লগতে নিৰাপত্তাৰক্ষীসকল নিজ নিজ ভোটকেন্দ্ৰ অভিমুখে যাত্ৰা কৰিছে। জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ ২০খন জিলা পৰিষদ, ১০৮খন আঞ্চলিক পঞ্চায়ত আৰু এহেজাৰ ৮০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ হ'ব। জিলাখনত স্থাপন কৰা এহেজাৰ ১৬৪টা ভোটগ্ৰহণ কেন্দ্ৰত ৭ লাখ ৮৯ হাজাৰ ১২৫ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ২২৮টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব।

**শিৱসাগৰ** জিলাতো কাইলৈ ভোটগ্ৰহণৰ বাবে দায়িত্ববাহী বিষয়া তথা সুৰক্ষা কৰ্মীসকল সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছেগৈ। জিলাখনৰ বেতবাৰী আঞ্চলিক পঞ্চায়তৰ কংগ্ৰেছৰ দলৰ প্ৰাৰ্থী অচ্যুতানন্দ গগৈৰ আকস্মিক মৃত্যুৰ পৰিপ্ৰেক্ষিতত বেতবাৰী আঞ্চলিক পঞ্চায়ত নিৰ্বাচন স্থগিত ৰখা হৈছে। ফলস্বৰূপে কাইলৈ জিলাখনৰ  চাৰিখন আঞ্চলিক পঞ্চায়ত, ১২খন জিলা পৰিষদ, ৮২খন গাঁও পঞ্চায়ত আৰু ৮২০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ৮৫৮টা ভোটগ্ৰহণ কেন্দ্ৰত এই ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জিলাখনত দুহেজাৰ ২৯১গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে। ইয়াৰে ২১৬ গৰাকী আঞ্চলিক পঞ্চায়ত, ৩৭ গৰাকী

জিলা পৰিষদ আৰু এহেজাৰ ৩৮ গৰাকী গাঁও পঞ্চায়ত সদস্যপদৰ প্ৰাৰ্থী। জিলাখনত ৫ লাখ এহেজাৰ ১৫১ গৰাকী ভোটদাতা আছে।

**চৰাইদেউ** জিলাত নিৰ্বাচনী প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনৰ প্ৰস্তুতি সন্দৰ্ভত চৰাইদেউ জিলাৰ আয়ুক্ত ডাঃ নেহা যাদৱে এইদৰে কয়---

**বাইট (নেহা যাদৱ)**

জিলাখনৰ **সোণাৰী** বিধানসভা সমষ্টিৰ অসম-অৰুণাচল আৰু অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলসমূহত নিৰাপত্তীৰক্ষী নিয়োগ কৰা হৈছে।

**ডিব্ৰুগড়** জিলাত আজি পুৱাৰে পৰা প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলে যাৱতীয় নথি-পত্ৰ সংগ্ৰহ কৰি ডিব্ৰুগড়, চাবুৱা আৰু লাহোৱাল সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হয়। জিলাখনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ৮ লাখ ৭১ হাজাৰ ৯৭৫।

**ধেমাজি** জিলাতো কাইলৈ ৫ লাখ ১০ হাজাৰ ৫৩৭ গৰাকী ভোটদাতাই ৭২৭টা ভোটগ্ৰহণ কেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। জিলাখনত এহেজাৰ ৮০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নিৰ্বাচনৰ বাবে নিয়োজিত ৩ হাজাৰ ৬০৯ গৰাকী বিষয়া-কৰ্মচাৰীৰ লগতে সুৰক্ষা কৰ্মীসকল প্ৰয়োজনীয় সামগ্ৰী লৈ ভোটকেন্দ্ৰসমূহলৈ ৰাওনা হৈছে।

**বিশ্বনাথ** জিলাৰ ৭৪৭টা ভোটকেন্দ্ৰত ৪ লাখ ৭৪ হাজাৰ ৯২৭ গৰাকী ভোটদাতাই এহেজাৰ ৩১২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। জিলাখনত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৩৬ গৰাকী মাণ্ডলিক, ৭৪ গৰাকী ছেক্টৰ, ৮৯৬ গৰাকী প্ৰিজাইডিং আৰু দুহেজাৰ ৬৮৮ গৰাকী প'লিং বিষয়া নিয়োগ কৰা হৈছে।

**শ্ৰীভূমি** জিলাত পঞ্চায়ত নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীয়ে সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ দায়িত্বত নিয়োজিত সকলোকে নিৰ্দেশ দিছে। এখন সংবাদমেলযোগে আয়ুক্তগৰাকীয়ে নিকা আৰু শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন দায়বদ্ধ বুলি উল্লেখ কৰে।

**বাইট (প্ৰদীপ কুমাৰ দ্বিবেদী)**

**কাছাৰ** জিলাত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে আজি প'লিং বিষয়াসকল শিলচৰ, বৰখলা, সোনাই আৰু উধাৰবন্দ বিধানসভা সমষ্টিলৈ ৰাওনা হৈছে। জিলাখনৰ ৭টা বিধানসভা সমষ্টিৰ বাবে বৰ্তমান ৬৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইতিমধ্যে দুগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। পঞ্চায়ত নিৰ্বাচনত নিজৰ কৰ্তব্য পালনৰ বাবে সাজু হোৱাৰ সময়তে আজি শিলচৰৰ এগৰাকী নিৰ্বাচনী বিষয়াৰ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। গ্ৰাম্য স্বাস্থ্য পৰিদৰ্শক হিচাপে কৰ্মৰত বিষয়াগৰাকী নুৰুল হক চৌধুৰী বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ইপিনে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন হ'বলগীয়া জিলাসমূহত জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰখাৰ লগতে ৰাজনৈতিক দলসমূহেও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। **নগাঁও** জিলাত ভোটগ্ৰহণৰ প্ৰস্তুতি তথা ভোটকেন্দ্ৰসমূহত প্ৰাথমিক সুবিধাৰ বুজ লোৱাৰ উদ্দেশ্যে আজি নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত জিলা আয়ুক্তৰ অধ্যক্ষতাত ছেক্টৰ আৰু জ'নেল বিষয়াসকলৰ এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তগৰাকীয়ে সকলো বিষয়াকে নিৰ্বাচনী নীতি-নিৰ্দেশনাসমূহ সঠিকভাৱে পালন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে আৰক্ষী বিষয়াসকলক জনসাধাৰণৰ লগত সহযোগিতাৰে নিৰপেক্ষ, নিকা আৰু স্বচ্ছ নিৰ্বাচনত গুৰুত্ব আৰোপ কৰে।

০০০০০

বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে অসম চৰকাৰৰ উদ্যোগত আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বড়োফাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে আৰু এম চি ডি পাৰ্কত এখন ৰাজহুৱা সভাত ভাগ লয়। ৯ ফুট উচ্চতাৰ এই প্ৰতিমূৰ্তিটো বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ নেতাগৰাকীৰ ত্যাগ আৰু কৰ্মৰ প্ৰতি শ্ৰদ্ধা জনাই স্থাপন কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীশ্বাহে লগতে নতুন দিল্লীৰ কৈলাশ কল'নীত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে এটা পথৰ নামকৰণ কৰে। গৃহমন্ত্ৰীয়ে জনসভাত দিয়া ভাষণত অসমৰ লগতে উত্তৰ-পূব উগ্ৰপন্থী কাৰ্যকলাপৰ পৰা সম্পূৰ্ণ মুক্ত হৈ উন্নয়নৰ পথত অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি আহিছে। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম কেৱল বড়ো জনগোষ্ঠীৰ বাবে পিতৃস্বৰূপ নহয়, বৰং সমগ্ৰ দেশৰ জনগোষ্ঠীয় সমাজৰ বাবে আদৰ্শ বুলি তেওঁ মন্তব্য কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই বিশেষ অতিথি হিচাপে ভাগ লয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ শৰ্মাই বড়োফাই বড়ো জনগোষ্ঠীৰ উত্তৰণৰ বাবে আগবঢ়োৱা অৱদান আৰু ত্যাগৰ কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বড়োফাৰ নামত আজি দেশৰ ৰাজধানীত পথ নামকৰণ কৰা কাৰ্যই জনগোষ্ঠীয় লোকসকলৰ বাবে এটা শক্তিশালী বাৰ্তা বহন কৰিব।

**বাইট (মুখ্যমন্ত্ৰী)**

এসময়ত হত্যা-হিংসাৰে জৰ্জৰিত বড়োভূমিত সম্প্ৰতি শান্তি বিৰাজ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক ধন্যবাদ জ্ঞাপন কৰে। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু দিল্লীৰ মেয়ৰ ৰাজা ইকবাল সিং অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত আছে।

ইপিনে, বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰত দতমাৰ থুলুংগাপুৰীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক বিভাগে নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম ন্যাসৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰে। বড়োফাৰ স্মৃতিত শ্ৰদ্ধা জনাই আয়োজিত এই অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা উপস্থিত থাকে। বড়োফাৰ স্মৃতিত এবছুৰে আজি বিয়লি বিটিআৰকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলৰ বাসগৃহ আৰু ৰাজহুৱা স্থানত ৫ লাখ মাটিৰ চাকি আৰু মমবাতি প্ৰজ্বলন কৰে।

০০০০০

শ্ৰমিকসকলৰ ত্যাগ আৰু তেওঁলোকৰ কৰ্মৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ লগতে শ্ৰমিকসকলে লাভ কৰিবলগীয়া উচিত মৰ্যাদা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হয়। এই দিনটো মে' দিৱস হিচাপেও জনাজাত।

কামৰ সময় দৈনিক সৰ্বাধিক ৮ ঘণ্টা নিৰ্ধাৰণৰ দাবীত ১৮৮৬ চনৰ আজিৰ দিনটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত অনুষ্ঠিত এখন বিশাল শ্ৰমিক সমাবেশৰ স্মৃতিচাৰণেৰে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - 'শ্ৰমিকসকলৰ সুৰক্ষা আৰু স্বাস্থ্য'।

এই বিষয়বস্তুৰ জৰিয়তে শ্ৰমিকসকলৰ সুস্বাস্থ্য তথা নিৰাপত্তাৰ বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে।

ৰাজ্যৰ বিভিন্ন স্থানত আজি শ্ৰমিক দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। অসম চাহ মজদুৰ সংঘৰ নাহৰকটীয়া শাখাৰ উদ্যোগত তথা জয়পুৰ চাহ বাগিছাৰ শ্ৰমিক সংঘ আৰু অস চাহ মজদুৰ সংঘৰ নাহৰকটীয়া শাখাৰ চাহ বাগিছাসমূহৰ শ্ৰমিক-ৰাইজৰ সহযোগত আজি জয়পুৰ চাহ বাগিছা প্ৰেক্ষাগৃহত এই দিৱস উদযাপন কৰা হয়। এই কাৰ্যসূচীত বিধায়ক তৰংগ গগৈয়ে শ্ৰমিকসকলক উদ্দেশি ভাষণ দিয়ে।

বৰপেটা জিলাত আন্তৰ্জাতিক শ্ৰমিক দিৱস উপলক্ষে বিভিন্ন শ্ৰমিক সংগঠনৰ উদ্যোগত সভা, সমদল আদি অনুষ্ঠিত হয়। তদুপৰি শ্ৰমিকসকলৰ মাজত শ্ৰমৰ মৰ্যাদা সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে সভাৰ আয়োজন কৰা হয়। বজালী জিলাৰ বাঘমাৰাত আজি বাঘমাৰা আঞ্চলিক শ্ৰমিক সন্থাৰ উদ্যোগত এই দিৱস উদযাপন কৰা হয়। দিৱসৰ পতাকা উত্তোলন কৰি বাঘমাৰা আঞ্চলিক শ্ৰমিক সন্থাৰ সভানেত্ৰী নিৰুপমা দেৱীয়ে এই দিনটোৰ পৰাই শ্ৰমিকসকলৰ মৰ্যাদা বিচৰাৰ সংগ্ৰাম আৰম্ভ হোৱা বুলি উল্লেখ কৰে। বাক্সা জিলাৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক শ্ৰমিক দিৱসৰ কাৰ্যসূচী লোৱা হয়। এই উপলক্ষে হোৱা পতাকা উত্তোলন, স্মৃতি তৰ্পন, গছপুলি ৰোপণ, বন্তি প্ৰজ্বলন, সমূহীয়া চাফাই অভিযান আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

০০০০০

অসমৰ মহিলাৰ বিৰুদ্ধে অপ্ৰীতিকৰ মন্তব্য আগবঢ়োৱাৰ অভিযোগ তুলি গুৱাহাটী মহানগৰ মহিলা কংগ্ৰেছে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিলৰ পাছত মহিলা কংগ্ৰেছৰ নেতৃবৃন্দই সংবাদ মাধ্যমৰ আগত কয় যে মুখ্যমন্ত্ৰীগৰাকীয়ে অশোভনীয় মন্তব্যৰে সমগ্ৰ মহিলা সমাজক অপমান কৰিছে। এই ক্ষেত্ৰত আৰক্ষীক আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ কংগ্ৰেছৰ নেতৃবৰ্গই দাবী জনায়।

০০০০০

মুম্বাইৰ জিঅ' বিশ্ব অভিৱৰ্তন কেন্দ্ৰত আজি প্ৰথম বিশ্ব দৃশ্য-শ্ৰাব্য মনোৰঞ্জন সন্মিলন, **ৱেভছ** অনুষ্ঠিত হৈছে।

**--মনটাজ--**

চাৰিদিনীয়াকৈ আয়োজিত এই সন্মিলন আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰে। শ্ৰীমোদীয়ে ভাষণ প্ৰসংগত **ৱেভছ** শীৰ্ষ সন্মিলনে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি কয়, যে এই সন্মিলনত এশৰো অধিক দেশৰ কলা-কুশলী, উদ্ভাৱক, বিনিয়োগকাৰী আৰু নীতি নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে সৃষ্টিশীলতাক গতি প্ৰদান কৰা তথা প্ৰযুক্তি আৰু প্ৰতিভাৰ দ্বাৰা উন্নত ভৱিষ্যত গঢ় দিয়াৰ বাবে চিনেমা, অ'টিটি, গেমিং, ডিজিটেল মিডিয়া, কৃত্ৰিম বুদ্ধিমত্তা, সম্প্ৰচাৰণ আৰু নতুন প্ৰযুক্তিক একত্ৰিত কৰি ভাৰতৰ সংবাদ মাধ্যম আৰু মনোৰঞ্জন উদ্যোগক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰাৰ বাবে এই সন্মিলনৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

দেশৰ বিভিন্ন প্ৰান্তৰ কলা-কুশলীসকলৰ লগতে অসমৰো কেইবাগৰাকী ব্যক্তিয়ে এই শীৰ্ষ সন্মিলনত অংশ লৈছে। মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই অসম চৰকাৰৰ প্ৰতিনিধি হিচাপে এই অনুষ্ঠানত ভাগ লৈছে।

**--মনটাজ--**

০০০০০

ভাষাৰ ওজা, হেমকোষ অভিধানৰ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। হেমচন্দ্ৰ বৰুৱাৰ ১২৯ সংখ্যক মৃত্যু দিৱসৰ লগত সংগতি ৰাখি আজি গুৱাহাটী বিশ্ববিদ্যালয়ত শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিশ্ববিদ্যালয়ৰ চৌহদত থকা হেমচন্দ্ৰ বৰুৱাৰ প্ৰতিমূৰ্তিস্থলীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত আৰু সাদিন প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ জয়ন্ত বৰুৱাই বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত অংশ লৈ বিশিষ্ট ভাষাবিদ তথা গৱেষক উপেন ৰাভা হাকাচাম, বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক কামালুদ্দিন আহমেদকে ধৰি অন্যান্য ব্যক্তিসকলে ভাষাৰ ওজাগৰাকীয়ে হেমকোষৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ কথা সুঁৱৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

**মৰিগাঁও** জিলা সাহিত্য সভাৰ উদ্যোগত সভাৰ কাৰ্যালয়ত আজি এই উপলক্ষে পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰা হয়। ইয়াৰ পাছত বন্তি প্ৰজ্বলন, স্মৃতিচাৰণ সভা আদি অনুষ্ঠিত হয়। অনুষ্ঠানত মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ সভাপতিকে প্ৰমুখ্য কৰি জিলা সাহিত্য সভাৰ আন আন বিষয়ববীয়াসকলে হেমচন্দ্ৰ বৰুৱাৰ বৰ্ণাঢ্য জীৱন আৰু সোণসেৰীয়া কৰ্মৰাজিৰ সন্দৰ্ভত আলোকপাত কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ান্‌ছ ৰাজস্থান ৰয়েল্‌ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত অহা শনিবাৰ ৩ এপ্ৰিলৰ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড০ অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড০ বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

সমাপ্ত